

সুপ্ৰভাত

আজিৰ দিনটোতে—

- ১৮৭১ত ৰয়েল এলবাৰ্ট হল মুৰ্কা... ৰাণী ভিক্টোৰিয়াৰ
- টাইৱানৰ যুৱ দিৱস
- ১৮৮২ত নাইটছ অব কলম্বাছ প্ৰ...
- ১৯৯৮ত গল্ফ খেলুৱৈ অদিতি অশোকৰ জন্ম
- ১৯৩৩ত শিক্ষাবিদ মীনা স্বামীনাথনৰ জন্ম
- ১৯৫৬ত শিক্ষাবিদ দীপ্তি ফুকন পাটগিৰিৰ জন্ম

তি অশোক


স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

বছৰ ◻ সংখ্যা ২৫ ◻ দেওবাৰ ◻ ১৪ চ'ত ১৯৪৭ শক ◻ ২৯ মাৰ্চ ২০২৬ চন ◻ VOL-16 ◻ NO-25 ◻ SUNDAY 29 MARCH 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION


## সমাজৰ সমস্যা সমাধানৰ আহিলা হ'ল শিক্ষা ঃ ড° দিব্যজ্যোতি মহন্ত

# কানৈ মহাবিদ্যালয়ত 'আইটেপ পাঠ্যক্ৰম'ৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা



বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৮ মাৰ্চ ঃ সমাজৰ সমস্যা সমাধানৰ আহিলা হ'ল শিক্ষা। একৈশ শতিকাৰ শিক্ষা সমাজ আৰু ব্যক্তিৰ উত্তৰণৰ বাবে কিমান গুৰুত্বপূৰ্ণ এই কথা অনুধাৱন কৰাৰ প্ৰয়োজনীয়তা সকলোৰে উপলব্ধি কৰিব লাগিব। ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ যুটীয়া উদ্যোগত তথা হিন্দী, ৰসায়ন বিজ্ঞান আৰু সংস্কৃত বিভাগৰ সহযোগত কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত অনুষ্ঠিত এদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ হাইব্ৰীড কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি পূৰ্বাঞ্চলীয় আঞ্চলিক সমিতি (ই আৰ চি) এন চি টি ইৰ অধ্যক্ষ ড° দিব্যজ্যোতি মহন্তই আজি এইদৰে কয়। 'A paradigm shift in Teachers Education through ITEP in Assam-Challenges and Prospects' শীৰ্ষক বিষয়ত অনুষ্ঠিত ৰাষ্ট্ৰীয় কৰ্মশালাখনত ড° মহন্তই কয়— শিক্ষকে কৌতূহলপূৰ্ণ শিকণ পদ্ধতি অৱলম্বন কৰি নিৰ্দ্দিষ্ট ফলাফল লাভৰ লক্ষ্যৰে শিক্ষাৰ্থীক অনুপ্ৰাণিত কৰিব লাগিব। তেওঁ কয়— শিক্ষাৰ্থীয়েও বুজিব লাগিব তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য। বিশ্বৰ জনসংখ্যাৰ প্ৰায় ১৮ শতাংশ যিমান, সিমান জনসংখ্যাৰ দেশ আমাৰ ভাৰতবৰ্ষ। বিপৰীতে বিশ্বৰ জনসংখ্যাৰ প্ৰায় ৪ শতাংশ যিমান, আমেৰিকাৰ জনসংখ্যা ঠিক সিমানেই। গতিকে আমাৰ দেশৰ এই বৃহৎ জনসংখ্যাই যদি সততাৰে, নিষ্ঠাৰে আৰু একাগ্ৰতাৰে কাম কৰে, তেন্তে ভাৰতবৰ্ষ বিশ্বগুৰু হোৱাৰ বাবে দুশ্চিন্তাত থাকিব নালাগে। তেওঁ কয়— ভাৰতবৰ্ষৰ জনসংখ্যাৰ প্ৰায় ৬৮ শতাংশ জনসংখ্যা ১৫-৬৫ বছৰ সীমাৰ ভিতৰত। এই কৰ্মীৰ দলটোৱে যদি একৈশ শতিকাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি কাম কৰে, তেন্তে সমাজে সুফল নিশ্চয় পাব। ড° মহন্তই কয়— শিক্ষক সমাজত এই দিশত সজাগতাৰ প্ৰয়োজন আটাইতকৈ বেছি। তেওঁ কয়— ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ অধীনত প্ৰৱৰ্তন হোৱা আইটেপ সংহত শিক্ষক শিক্ষা ব্যৱস্থাৰৰ বিষয়ে শিক্ষকে আৰু ছাত্ৰ-ছাত্ৰীয়ে ভালকৈ বুজি ইয়াৰ ক্ৰিয়ান্বয়নৰ দিশত দৃঢ় পদক্ষেপ ল'ব লাগিব। আইটেপ অসমৰ বহু শিক্ষানুষ্ঠানলৈ আহিছে। শিক্ষানুষ্ঠানবিলাকে আইটেপৰ বিভিন্ন ব্যৱস্থা বুজি শিক্ষাৰ্থীক উপযুক্ত প্ৰশিক্ষণ দিলে অসমৰ শিক্ষা ব্যৱস্থালৈ আমূল পৰিৱৰ্তন আহিব বুলি কয়। মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা বিনী শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা কৰ্মশালাখনৰ উদ্বোধনী অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— অসমৰ শৈক্ষিক ইতিহাসত শিক্ষক প্ৰশিক্ষণৰ এক চহকী ইতিহাস আৰু পৰম্পৰা আছে। আজিৰ পৰা কিছু বছৰ আগলৈকে শিক্ষক হোৱাটো আছিল 'ডিগ্ৰী'ৰ কথা। কিন্তু এতিয়া শিক্ষকতা হ'ল এক 'প্ৰতিশ্ৰুতি'। অধ্যক্ষ ড° শইকীয়াই কয়— ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০-এ সকলোকে কৈছে যে এজন শিক্ষকে শিক্ষাৰ্থীক কেৱল তথ্য যোগান ধৰিলেই নহ'ব, শিক্ষকজন হ'ব লাগিব সমাজৰ, দেশৰ, ৰাইজৰ তথা শিক্ষাৰ্থীৰ একোজন সঠিক পথ প্ৰদৰ্শক। এনে চিন্তা আৰু দৰ্শন লৈ সংহত শিক্ষক শিক্ষা ব্যৱস্থা চমুকৈ আইটেপ হৈছে এই পৰিৱৰ্তনৰ এক মেৰুদণ্ডস্বৰূপ। চলিত বৰ্ষৰ পৰা কানৈ মহাবিদ্যালয়ৰ আইটেপ পাঠ্যক্ৰম মুকলি হৈছে বুলি ঘোষণা কৰি তেওঁ কয়— আগতে বিএ, বিএচি পাছ কৰাৰ পিছত বি এড অধ্যয়ন কৰাৰ এক পৰম্পৰা আছিল। কিন্তু সেই পৰম্পৰা আঁতৰাই শিক্ষকতা বৃত্তিক অধিক সজীৱ কৰি তুলিবলৈ তাৰ ঠাইত চাৰিবছৰীয়া সংহত শিক্ষক শিক্ষা ব্যৱস্থাই এজন শিক্ষাৰ্থীক উচ্চতৰ মাধ্যমিকৰ পিছৰ পৰাই এজন বৃত্তিধাৰী শিক্ষক হিচাপে গঢ়ি তোলাৰ সুযোগ সৃষ্টি কৰিছে। তেওঁ কয়— বোধকৰো অসমৰ শিক্ষা জগতৰ ইতিহাসত এই প্ৰেক্ষাপটত ই এক অনন্য আৰু বিৰল সুযোগ। শিক্ষক হ'ব খোজাসকলে পোনপটীয়াকৈ আইটেপ পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰিব। নিশ্চিতভাৱে অসমৰ শিক্ষাজগতত ই এক আলোড়ন বুলিব পাৰি। অধ্যাপিকা ড° দীপিকা কোঁৱৰে আঁত ধৰা কৰ্মশালাখনৰ তৃতীয় কাৰিকৰী সত্ৰত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাধ্যাপক ড° মুকুট হাজৰিকাই আইটেপ পাঠ্যক্ৰম সম্বন্ধীয় বিষয়সমূহ বহলভাৱে তথা তথ্যসহকাৰে ব্যাখ্যা কৰি শিক্ষকসকলক অৱগত কৰে। সমল ব্যক্তি হিচাপে অনলাইন মাধ্যমত উপস্থিত থাকি যোৰহাট বাহনা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক তথা মহাবিদ্যালয়খনৰ ITEPৰ সমন্বয়ক ড° মৃদুল দত্তই কয়— শিক্ষকতাক বৃত্তি হিচাপে ল'বলৈ প্ৰয়াস কৰা যুৱক-যুৱতীসকলক বিভিন্ন ধৰণে সহায় কৰিবলৈ ৰাষ্ট্ৰীয় পৰ্যায়ত আলোচনা-পৰ্যালোচনা চলি থকাৰ ফলতেই ২০২৩-২৪ বৰ্ষৰ পৰা সংহত শিক্ষক শিক্ষা ব্যৱস্থা আইটেপৰ শুভাৰম্ভ কৰা হৈছে। শিক্ষা ব্যৱস্থাত আইটেপে এক আমূল পৰিৱৰ্তন আনিব বুলিও তেওঁ অৱগত কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, আইটেপৰ সমন্বয়ক ড° উত্তম মহন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড° এনিশা দত্তই।